**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 04-02-2026
**Time :** 18-45 Hrs

## ASSAMESE EVEN BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

১। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শিৱসাগৰ নাট্য মন্দিৰৰ নৱনিৰ্মিত ভৱন উদ্বোধন। জিলাখনৰ কেইবাঠাইতো মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ।

২। মণিপুৰত ৰাষ্ট্ৰপতিৰ শাসন প্ৰত্যাহাৰ। বিজেপি নেতা য়ুমনাম খেমচান্দ সিং ৰাজ্যখনৰ নতুন মুখ্যমন্ত্ৰী হিচাপে শপতগ্ৰহণ।

৩। বিশ্বৰ বিভিন্ন প্ৰান্তৰ লগতে অসমতো বিশ্ব কৰ্কট দিৱস পালন।

৪। নলবাৰীত অসম ৰাজ্যিক মহিলা আয়োগৰ বিশ্বাস যাত্ৰা কাৰ্যসূচীত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া কিশোৰ ৰাহতকাৰৰ অংশগ্ৰহণ। **আৰু**

৫। ১৯ বছৰ অনুৰ্ধ এদিনীয়া বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত ভাৰতৰ সন্মুখত আফগানিস্তানৰ ৩১১ ৰানৰ বিজয় লক্ষ্য।

ooooo

শিৱসাগৰ জিলাৰ ঐতিহাসিক তলাতল ঘৰ প্ৰাংগণত আজি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। এই অনুষ্ঠানত ৩৪ হাজাৰ ৭১১ গৰাকী মহিলাক চেক বিতৰণ কৰা হয়। অনুষ্ঠানত দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে এই আঁচনিৰ জৰিয়তে ৰাজ্যৰ মহিলাসকল স্বাৱলম্বী হৈ পৰিয়ালক সকাহ দিছে বুলি মন্তব্য কৰে।

ইয়াৰ পাছত মুখ্যমন্ত্ৰীগৰাকীয়ে শিৱসাগৰত ২ কোটি ২৪ লাখ টকা ব্যয় সাপেক্ষ নৱ নিৰ্মিত নাট্য মন্দিৰ উদ্বোধন কৰে। এই নাট্য মন্দিৰে অঞ্চলটোৰ সাংস্কৃতিক পৰিমণ্ডল সমৃদ্ধ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে মত প্ৰকাশ কৰে। ড° শৰ্মাই আজি বিয়লি জিলাখনৰ সোণাৰি খেলপথাৰত আত্মসহায়ক গোটৰ সদস্যসকলক মহিলা উদ্যমিতা আঁচনিৰ চেক বিতৰণ কৰে। এই অনুষ্ঠানত সোণাৰী সমষ্টিৰ ২৮ হাজাৰ ২৯৬ গৰাকী মহিলাক চেক বিতৰণ কৰে। মুখ্যমন্ত্ৰীয়ে সমষ্টিটোৰ সামগ্ৰিক বিকাশৰ বাবে ৯৯ কোটি টকা ব্যয় সাপেক্ষ কেইবাটাও উন্নয়নমূলক প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই অনুষ্ঠানৰ পাছত সাংবাদিকৰ আগত এইদৰে কয় ঃ

বাইট

ooooo

ৰাজ্যসভাত আজি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ ভাষণৰ ধন্যবাদ সূচক প্ৰস্তাৱ সন্দৰ্ভত পুনৰ আলোচনা অনুষ্ঠিত হয়। আলোচনাত ভাগ লৈ কেন্দ্ৰীয় মন্ত্ৰী তথা উচ্চ সদনৰ নেতা জে পি নাড্ডাই কয় যে ৰাষ্ট্ৰপতিৰ ভাষণত দেশৰ বিকাশ গাথা সুন্দৰভাৱে স্পষ্ট হৈছে আৰু এয়া সচাঁকৈ প্ৰেৰণাদায়ক। তেওঁ কয় যে ৰাষ্ট্ৰপতিৰ ভাষণত অমৃত কালৰ ভাৱনা আৰু মোদী চৰকাৰৰ সাফল্য প্ৰতিফলিত হৈছে। শ্ৰীনাড্ডাই কয় যে এসময়ত বিশ্বৰ

আটাইতকৈ দুৰ্বল ৫ টা  অৰ্থব্যৱস্থাৰ অন্যতমৰূপে গণ্য কৰা ভাৰত সম্প্ৰতি বিশ্বৰ সবাতোকৈ দ্ৰুত  বিকাশশীল অৰ্থব্যৱস্থাৰ দেশৰূপে পৰিগণিত হৈছে। চৰকাৰে সংস্কাৰ, প্ৰদৰ্শন আৰু পৰিৱৰ্তনৰ দৃষ্টিভংগীৰে কাম কৰি আহিছে বুলি তেওঁ মন্তব্য কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰপতিয়ে শতিকা শতিকা পুৰণি সংস্কৃতি আৰু পৰম্পৰাৰ বিষয়ে উল্লেখ কৰিছে আৰু ২০৪৭ চনৰ ভিতৰত ভাৰতবৰ্ষক উন্নত ৰাষ্ট্ৰৰূপে গঢ়ি তোলাৰ লক্ষ্যৰ দিশে অগ্ৰসৰ হোৱাত গুৰুত্ব আৰোপ কৰিছে। ৰাজ্যসভাত বিৰোধী পক্ষৰ নেতা মল্লিকাৰ্জুন খাৰ্গেই আলোচনাত ভাগ লৈ মোদী চৰকাৰৰ শাসনকালত সামাজিক ন্যায় আৰু সম্প্ৰীতিৰ এনাজৰি বিনষ্ট হোৱা বুলি অভিযোগ তোলে। মহিলাসকল বিজেপিৰ বাবে অকল ভোটবেংক হোৱা বুলি তেওঁ মন্তব্য কৰে।

ইপিনে, ভাৰত-আমেৰিকা বাণিজ্য চুক্তিকে ধৰি বিভিন্ন বিষয়ক লৈ বিৰোধী পক্ষৰ সাংসদসকলে সৃষ্টি কৰা হুলস্থূলীয়া পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত লোকসভাৰ কাম-কাজ আজি একেৰাহে তৃতীয় দিনাও ব্যাহত হয়। বিষয়টো লৈ সৃষ্টি হোৱা হুলস্থুলীয়া পৰিস্থিতিৰ বাবে ৩ বাৰকৈ কাৰ্যক্ৰমণিকা স্থগিত ৰখাৰ পাছত বিয়লি ৫ বজাত সদন পুনৰ মিলিত হোৱাৰ সময়ত কংগ্ৰেছ,তৃণমূল কংগ্ৰেছ আৰু বিৰোধী পক্ষৰ অন্য সদস্যসকলে চৰকাৰৰ বিৰুদ্ধে শ্লোগান দিবলৈ ধৰে। এনে পৰিস্থিতিত অধ্যক্ষই সদনৰ কাম-কাজ দিনটোৰ বাবে স্থগিত ৰখাৰ কথা ঘোষণা কৰে।

০০০০০

আজি বিশ্ব কৰ্কট দিৱস। কৰ্কট ৰোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সজাগতা সৃষ্টিৰ লগতে এই ৰোগত আক্ৰান্তসকলৰ সহনশীলতা বৃদ্ধি তথা ৰোগৰ বিৰুদ্ধে যুঁজ দিয়াৰ ক্ষেত্ৰত ৰোগীৰ পৰিয়ালৰ সহযোগিতাৰ প্ৰতি সন্মান জনাই প্ৰতি বছৰে ৪ ফেব্ৰুৱাৰীত এই দিৱস পালন কৰা হয়। এইবছৰৰ বিশ্ব কৰ্কট ৰোগ দিৱসৰ মূল বিষয় হৈছে- United by Unique। এই দিৱস উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন চিকিৎসালয়, প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কেতবোৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বিশ্ব কৰ্কট ৰোগ দিৱস উপলক্ষে দিয়া এটা বাৰ্তাত কৰ্কট ৰোগৰ আগতীয়া নিৰীক্ষণ, চিনাক্তকৰণ আৰু চিকিৎসাক অগ্ৰাধিকাৰ দিয়াৰ সংকল্প গ্ৰহণ কৰিবলৈ সকলোকে আহ্বান জনাইছে। ৰাজ্য চৰকাৰে কৰ্কট ৰোগৰ চিকিৎসা আৰ্হিৰ জৰিয়তে সমগ্ৰ অসমত উন্নত প্ৰযুক্তি, আগতীয়াকৈ ৰোগ চিনাক্তকৰণ আৰু সুলভ চিকিৎসা প্ৰদানৰ বাবে স্বাস্থ্য খণ্ডক বিকশাই তোলাৰ বাবে নিৰন্তৰ প্ৰয়াস চলাই আহিছে বুলি তেওঁ প্ৰকাশ কৰে।

ধেমাজি জিলা স্বাস্থ্য বিভাগে আজি কৰ্কট দিৱস উপলক্ষে সজাগতামূলক সমদল উলিওৱাৰ লগতে এখন সজাগতামূলক সভা অনুষ্ঠিত কৰে। ধেমাজি নাৰ্চিং স্কুলৰ ছাত্ৰসকলে আয়োজন কৰা এই সমদলত জিলা উন্নয়ন আয়ুক্ত দেৱেশ্বৰ বৰা, অতিৰিক্ত আয়ুক্ত ৰশ্মি প্ৰতাপ, যুটীয়া স্বাস্থ্য সেৱা সঞ্চালক ডাঃ জগত মোহন প্ৰসাদ প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকলে অংশগ্ৰহণ কৰে।

লখিমপুৰ কৰ্কট কেন্দ্ৰৰ উদ্যোগত আজি কৰ্কট সজাগতা অনুষ্ঠানৰ আয়োজন কৰা হয়। জিলাখনৰ আৰক্ষী অধীক্ষক গুণেন্দ্ৰ ডেকাই অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি আগবঢ়োৱা বক্তব্যত কৰ্কট ৰোগৰ সজাগতা বৃদ্ধি, আগতীয়া চিনাক্তকৰণ আৰু সমাজৰ সক্ৰিয় অংশগ্ৰহণত গুৰুত্ব আৰোপ কৰে। কেন্দ্ৰটোৰ অধীক্ষক ডাঃ গোপাল কুমাৰ পুৰকায়স্থই আধুনিক চিকিৎসা ব্যৱস্থাৰ উন্নতি, প্ৰতিৰোধমূলক ব্যৱস্থাৰ গুৰুত্ব আৰু সময়মতে স্ক্ৰিনিং কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত আলোকপাত কৰে। অনুষ্ঠানত জিলাখনৰ স্বাস্থ্যকৰ্মী, প্ৰশাসনিক বিষয়া প্ৰমুখ্যে বহুলোক উপস্থিত থাকে।

মাজুলী মহাবিদ্যালয়ৰ মহিলা সৱলীকৰণ কোষ আৰু ডিব্ৰুগড়ৰ প্ৰতিশ্ৰুতি কেন্সাৰ এণ্ড পেলিয়েটিভ কেয়াৰ ট্ৰাষ্টৰ যৌথ উদ্যোগত আৰু মহাবিদ্যালয়খন অভ্যন্তৰীণ মান নিশ্চিতকৰণ কোষৰ সহযোগত আজি **কৰ্কট ৰোগ জয় কৰো আহক** শীৰ্ষক এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। সভাত সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰি **প্ৰতিশ্ৰুতি**ৰ উপ-সভাপতি তথা অসম চিকিৎসা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষা ডাঃ ৰীণা আহমেদে স্তন আৰু জৰায়ুৰ কৰ্কট ৰোগৰ কাৰক আৰু ইয়াৰ সজাগতাৰ বিষয়ে বক্তব্য দাঙি ধৰে। সচেতনতা, দৈনন্দিন জীৱনশৈলীৰ সালসলনি আৰু সময়ত মতে চিকিৎসা কৰিলে কৰ্কট ৰোগৰ পৰা বহু সময় আঁতৰি থাকিব পাৰি বুলি তেওঁ উল্লেখ কৰে। চিকিৎসক ডাঃ গৌৰীশংকৰ বৰগোহাঁই, ডাঃ প্ৰবীণ চন্দ্ৰ ঠাকুৰ, ডাঃ পদুম পোনা বৰুৱা আদিকে ধৰি বহুকেইজন বিশিষ্ট ব্যক্তি তথা ছাত্ৰ-ছাত্ৰী এই সভাত অংশগ্ৰহণ কৰে। সভাত অংশগ্ৰহণ কৰি মাজুলীৰ স্বাস্থ্য বিভাগৰ যুটীয়া সঞ্চালক ডাঃ কিশোৰ কামানে এইদৰে কয়–

**বাইট (ডাঃ কিশোৰ কামান)**

দৰং কৰ্কট কেন্দ্ৰৰ উদ্যোগত এই দিৱসৰ সৈতে সংগতি ৰাখি জিলাখনৰ স্বাস্থ্য বিভাগৰ সহযোগত কৰ্কট ৰোগ সজাগতামূলক সমদল উলিওৱা হয়। কেন্দ্ৰটোৰ অধীক্ষক ডাঃ ছৈয়দ ইফতিকাৰ চোভানীয়ে শুভাৰম্ভ কৰা এই সমদলত জিলাখনৰ যুটীয়া স্বাস্থ্য সঞ্চালক ডাঃ দিল্লীৰাম অধিকাৰী, চিকিৎসক ডাঃ দিনেশ চন্দ্ৰ গোস্বামীকে ধৰি বিভাগৰ কেইবাজনো জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে এই কেন্দ্ৰটোত এইচ পি ভি প্ৰতিষেধক উপলভ্য কৰা হৈছে আৰু ৯ৰ পৰা ২৬ বছৰ বয়সৰ মহিলাসকলে এই প্ৰতিষেধক গ্ৰহণ কৰিব পাৰিব বুলি কেন্দ্ৰটোৰ কৰ্তৃপক্ষই আকাশবাণীৰ সংবাদদাতাক জানিবলৈ দিছে।

ooooo

বৰ্তমান বিজেপি চৰকাৰে উত্তৰ-পূৰ্বৰ উন্নয়নৰ বাবে গ্ৰহণ কৰা আঁচনিৰ বাবে বাজেটত পৰ্যাপ্ত ধন আৱণ্টন কৰিছে। বজালীৰ বিজেপিৰ কাৰ্যালয়ত আজি কেন্দ্ৰীয় বাজেট সম্পৰ্কীয় এখন সংবাদমেলত মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে এইদৰে মন্তব্য কৰে। তেওঁ কয় যে ২০২৬-২৭ বিত্তীয় বৰ্ষৰ কেন্দ্ৰীয় বাজেটত ভাৰতবৰ্ষক আত্মনিৰ্ভৰ কৰি তোলাৰ বাবে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

বাইট

ooooo

অসম ৰাজ্যিক মহিলা আয়োগে মহিলাসকলৰ সৱলীকৰণৰ বাবে আৰম্ভ কৰা বিশ্বাস যাত্ৰা শীৰ্ষক কাৰ্যসূচীৰ অংশ হিচাপে আজি নলবাৰীত আয়োজিত অনুষ্ঠানত ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষা বিজয়া কিশোৰ ৰাহতকাৰে অংশ লয়। গৰ্ডন খেলপথাৰত আয়োজিত এই অনুষ্ঠানত অধ্যক্ষাগৰাকীয়ে অসম ৰাজ্যিক মহিলা আয়োগৰ অধ্যক্ষা আঙুৰলতা ডেকাৰ উপস্থিতিত এটা মটৰ চাইকেল সমদল মুকলি কৰে। এই অনুষ্ঠানত অংশগ্ৰহণ কৰি ৰাষ্ট্ৰীয় মহিলা আয়োগৰ অধ্যক্ষাগৰাকীয়ে সন্তুষ্টি প্ৰকাশ কৰে।

ooooo

মৰিগাঁও জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি জিলা শিশু কল্যাণ আৰু সুৰক্ষা সমিতিৰ এখন বৈঠক অনুষ্ঠিত হয়। আয়ুক্ত অনামিকা তিৱাৰীৰ সভাপতিত্বত অনুষ্ঠিত এই বৈঠকত আয়ুক্তগৰাকীয়ে জিলাখনক শিশু শ্ৰমিক মুক্ত কৰাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে শিশু তথা কিশোৰ-কিশোৰীক ঘৰুৱা সহায়ক হিচাপে নিয়োগ কৰাৰ প্ৰৱণতা সম্পূৰ্ণৰূপে নোহোৱা কৰিবৰ বাবে গাঁও আৰু উন্নয়ন খণ্ডৰ পৰ্যায়ৰ শিশু সুৰক্ষা সমিতিসমূহে আগভাগ ল'ব লাগিব। সমিতিসমূহে নিজৰ অঞ্চলত ঘৰুৱা সহায়ক হিচাপে শিশু শ্ৰমিক নাই বুলি

নিশ্চিত কৰাৰ পাছত সংশ্লিষ্ট অঞ্চলটো শিশু শ্ৰমিক মুক্ত অঞ্চল হিচাপে ঘোষণা কৰা হ'ব। আয়ুক্তগৰাকীয়ে উপযুক্ত তথা ইচ্ছুক দম্পতীক প্ৰতিপালিত যত্ন বা FOSTER CARE-ৰ ব্যৱস্থাৰ অধীনত শিশুগৃহত থকা ছবছৰৰ ওপৰৰ আৰু আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিশুক নিজৰ লগত ৰাখি উপযুক্ত ব্যৱস্থা ল'বলৈ আহ্বান জনায়। এনেদৰে দুবছৰ যত্ন আৰু সুৰক্ষা থকা শিশুটিক সেই দম্পতীয়ে নিৰ্দিষ্ট প্ৰক্ৰিয়াৰ জৰিয়তে দত্তক গ্ৰহণ কৰিব পাৰিব বুলি তেওঁ জানিবলৈ দিয়ে। আয়ুক্তগৰাকীয়ে জিলাখনৰ শিশু আশ্ৰয় গৃহটোত খেলা-ধূলা আৰু শাৰীৰিক ব্যায়াম আদিৰ ব্যৱস্থা কৰাৰ লগতে প্ৰতিমাহে স্বাস্থ্য শিবিৰৰ আয়োজন কৰিবলৈ নিৰ্দেশ দিয়ে। বৈঠকত কেইবাজনো জ্যেষ্ঠ প্ৰশাসনিক বিষয়া আৰু কেইবাজনো আৰক্ষী বিষয়া উপস্থিত আছিল।

০০০০০

জিম্বাব'ৱেৰ হাৰাৰেত অনুষ্ঠিত ১৯ বছৰ অনুৰ্ধ এদিনীয়া  বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ দ্বিতীয়খন ছেমিফাইনেলত ভাৰতে ৩১১ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি আমালৈ বাতৰি অহাৰ পৰলৈকে ২২ অভাৰত এটা উইকেটৰ বিনিময়ত ১৮৪ ৰান সংগ্ৰহ কৰি খেলি আছিল। ইয়াৰ পূৰ্বে আফগানিস্তানে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৪ টা উইকেট হেৰুৱাই ৩১০ ৰান সংগ্ৰহ কৰে। আজিৰ খেলখনত জয় হোৱা দলটো শুকুৰবাৰে হ'বলগীয়া ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০

ধেমাজি জিলাৰ চিলাপথাৰ আৰু ঢকুৱাখনাত অনুষ্ঠিত ৭৯ সংখ্যক ৰাষ্ট্ৰীয় সন্তোষ ট্ৰফি ফুটবল প্ৰতিযোগিতাৰ ছেমি ফাইনেল খেল দুখন কাইলৈ অনুষ্ঠিত হ'ব। চিলাপথাৰত দিনৰ ১১ বজাত আৰম্ভ হ'বলগীয়া প্ৰথমখন খেলত যোৱাবাৰৰ বিজিত কেৰালা দল পাঞ্জাবৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। আনখন খেল দিনৰ ডেৰ বজাৰ পৰা ৰে'লৱে আৰু ছাৰ্ভিচেছৰ মাজত ঢকুৱাখনাৰ বিষ্টুৰাম দলে ক্ৰীড়া ক্ষেত্ৰত অনুষ্ঠিত হ'ব।

উল্লেখযোগ্য যে সন্তোষ ট্ৰফি ফুটবল প্ৰতিযোগিতাৰ ইতিহাসত পাঞ্জাৱ দলটো ৮ বাৰকৈ চূড়ান্ত  বিজয়ী আৰু বিজিত দল হিচাপে পৰিগণিত হোৱাৰ বিপৰীতে কেৰালা দলে ৭ বাৰ বিজয়ী আৰু ৯ বাৰ বিজিতৰ সন্মান লাভ কৰিছে। একেদৰে ছাৰ্ভিচেছ দলটো ৭ বাৰ বিজয়ী, ৫ বাৰ বিজিত আৰু ৰে'লৱে দলে ৩ বাৰ  বিজয়ী আৰু ৬ বাৰ বিজিত হোৱাৰ সন্মান অৰ্জন কৰিছে।

০০০০০

বিশিষ্ট চিকিৎসক, পশ্চিমবংগৰ কলকাতা নিবাসী অসমীয়া ভাষাত সাহিত্য চৰ্চা কৰি খ্যাতি অৰ্জন কৰা ডাঃ কমলা গোহাই সেনগুপ্তাৰ যোৱা নিশা দেহাৱসান ঘটে। ১৯৫২ চনত তেতিয়াৰ কলিকতাৰ লেডি ডাফৰীন ভিক্টৰিয়া চিকিৎসালয়ত চিকিৎসক হিচাপে যোগদান কৰি ১৯৯২ চনত তেওঁ অৱসৰ গ্ৰহণ কৰে। দক্ষিণ আমেৰিকাৰ কবি পাবল' নেৰোদাৰ আত্ম স্মৃতি নানা ৰঙৰ দিনবোৰ আৰু ৰুছ ঔপন্যাসিক বৰিছ্ পেষ্টাৰনেকৰ ডঃ ঝিভাগোকে ধৰি কেইবাখনো গ্ৰন্থ অসমীয়ালৈ অনুবাদ কৰা এইগৰাকী লেখিকা জীৱনৰ অন্তিম সময়লৈ অসমীয়া ভাষা সাহিত্য চৰ্চাৰ সৈতে জড়িত আছিল। তেওঁৰ মৃত্যুত বিভিন্ন ব্যক্তি আৰু অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰিছে।

০০০০০

ঃঃ সমাপ্ত ঃঃ